ঢুকড় কেকড় তেকড় নেমু, কড়াই চাৰি জাম।
কুৰি কড়ায় কুৰি ফল কিনি আনা ৰাম ॥"

লেখকৰ আত্ম-পৰিচয় সম্পৰ্কে মাত্ৰ এফাকি কথা—

"জ্যোতিষ যে শ্ৰাক, চূড়ামণি কহে, বালকসৱক প্ৰতি।
কায়স্থসকলে, নিন্দা নকৰিবা, মহাশয়ে অল্পমতি ॥"

এই পুথিত থকা "বিৰাশী শকত আছিলেক কিছু ছাত্ৰ" কথাৰ পৰা ইয়াক ১৩৮২ শক তথা ১৪৬০ খৃঃত লিখা বুলি কোনো-কোনোৱে ঠাৱৰ কৰিবলৈ বিচাৰে ; কিন্তু এই পুথিত বকুল কায়স্থৰ উল্লেখ আছে, আৰু বকুল কায়স্থ "দৰং ৰাজবংশাৱলী" মতে ১৫৪০ৰ আগৰ নহয় বুলি দেখুৱাই অহা হৈছে। তদুপৰি বকুল কায়স্থৰ পুথিৰ সামৰণিত আকৌ নাৰায়ণ দাস, উমাপতি, সিদ্ধ, হৃদয়ানন্দ কায়স্থ আৰু দুৰ্গাদাস প্ৰভৃতিৰ নাম আছে ; এওঁলোকৰ ভিতৰত হৃদয়ানন্দ কায়স্থ "শ্ৰীৰাম কীৰ্ত্তন" বা "অনন্ত ৰামায়ণ" ৰচোঁতা অনন্ত ঠাকুৰৰ আন নাম ; আৰু এওঁ সপ্তদশ শতিকাৰ মাজছোৱাৰ কবি। সত্য, ত্ৰেতা, দ্বাপৰ, কলিৰ বছৰ-গণনাও বকুল কায়স্থই লিখিলে, আৰু ভাৰতৰ পুৰণি ৰাজপৰিয়ালবোৰৰ কাল-নিৰ্ণয়ো ইয়াত দিছে। "প্ৰয়োগ-ৰত্নমালা ব্যাকৰণ" প্ৰণেতা পুৰুষোত্তম ঠাকুৰ বিশ্বকবি ৰবীন্দ্ৰনাথৰ পূৰ্বপুৰুষ বুলি শুনাজাত।

মনসা-সাহিত্য—মনকৰ, দুৰ্গাবৰ আদি কবিসকল

স্বয়ং ভাৰতবৰ্ষৰ ধৰ্মৰ ইতিহাসত মনসা বা সাপ-পূজা অন্ততঃ বৈষ্ণৱ ধৰ্মতকৈ যে প্ৰাচীন তাত সন্দেহ নাই। ভাগৱতী বা বৈষ্ণৱ ধৰ্মৰ মাই ঘৰ মথুৰাতে শক-কুশান ৰাজত্বৰ যুগতো জৈন আৰু বৌদ্ধ-ধৰ্মৰ লগে লগে সাপ-পূজাই পুনৰ মেৰাই ধৰিছিল বুলি ঐতিহাসিক বিচাৰে দেখুৱায় ; কিয়নো গ্ৰীক লেখক মেগাস্থেনিছে তেওঁৰ সময়ত যি মথুৰাত ভাগৱতী ধৰ্মৰ ইমান প্ৰভাৱ দেখিবলৈ পাইছিল, তেওঁৰ পাছত সেই শক-কুশান ৰাজত্বৰ কালত য'ত ৮৭ খন জৈন আৰু ৫৩ খন বৌদ্ধলিপি পোৱা হৈছে, ত'ত ভাগৱতী ধৰ্মৰ এখন মাত্ৰ লিপি এতিয়ালৈকে পোৱা হৈছে। এই শক-কুশান ৰজাসকলে খৃষ্টপূৰ্ব প্ৰথম শতিকাৰ পৰা খৃষ্টাব্দৰ তৃতীয় শতিকালৈকে ৰাজত্ব কৰিছিল, আৰু তেওঁলোকৰ সৰহ-খিনিয়েই সম্ভৱ ভাগৱতী ধৰ্মৰ বিৰোধী শৈৱ বা বৌদ্ধ ৰজা আছিল, আৰু ৰজাৰ নহলেও সাপ-পূজা সৰ্বসাধাৰণৰ ধৰ্ম থকাটো সম্ভৱপৰ। দক্ষ-যজ্ঞৰ কাহিনীৰ

পৰা যেনেকৈ দক্ষ ৰজাৰ কাললৈকে শিৱ আৰ্য্যদেৱতা ৰূপে গণ্য নোহোৱা বুলি বুজিব পাৰি, অতি সম্ভৱ গুপ্ত ৰাজত্বত ৰচনা কৰা ভাগৱত আদি পুৰাণৰ কালীয়-দমন কাহিনীয়েও এক পৰবৰ্ত্তী কালত ভাগৱতী বৈষ্ণৱ ধৰ্মই তাৰ পূৰ্ববৰ্ত্তী মনসা-পূজাক জয় কৰা কথাকে চিৰস্মৰণীয় কৰে বুলি বুজিব পাৰি।

অসমত তথা অসমীয়া সাহিত্যতো সেইদেখি মনসা-সাহিত্য আগৰ তৰপৰ হ'ব পাৰে বুলি ভাবিব পাৰি। এই মনসা-কবিসকলৰ ভিতৰত মনকৰ আটাইতকৈ পুৰণি যেন লাগে; গতিকে এওঁক কোনোৱে দ্বাদশ শতিকাৰ শেষ ছোৱা বা ত্ৰয়োদশ শতিকাৰ আগছোৱাৰ কবি বুলিব খোজে। কিন্তু এওঁৰ আত্ম-পৰিচয়মূলক মুঠেই একাকি পদৰ পৰাই বিশেষভাৱে ইয়াৰ বিচাৰ কৰিব লাগিব—

"কামৰূপৰ কামাখ্যা বন্দো ঢেকেৰীয়াৰ নাতি।
পাতালৰ নাগ বন্দো এ নাগ দেউতি॥
দ্যুতি অমৰাৱতী বন্দো জল্পেশ্বৰ লোক।
স্বৰ্গ-মৰ্ত্ত্য-পাতাল বন্দো এ তিনি ত্ৰৈলোক॥
কমতাৰ ৰাজা বন্দো ৰাজা জল্পেশ্বৰ।
একশত মহিষী বন্দো ওঠৰ কুমৰ॥"

ইয়াৰ পৰা মাত্ৰ বুজিব পাৰি মনকৰ কোনোবা ঢেকেৰীয়াৰ নাতি, আৰু তেওঁ কমতাৰ কোনোবা জল্পেশ্বৰ ৰজাৰ আমোলৰ কবি; শেষৰ ফাকি পদ কবি দুৰ্গাবৰৰ আত্মপৰিচয়ৰ ভণিতাতো পোৱা হয়। সি যি হওক, এই কমতাৰ ৰজা জল্পেশ্বৰ কোন? দুৰ্লভনাৰায়ণ আদি কমতাৰ ৰজাক গৌড়েশ্বৰ বোলা পোৱা হয়; কিন্তু জল্পেশ্বৰ উপাধি (নাম?) অকল ইয়াতেই পোৱা হয়। জল্পেশ বা জল্পেশ্বৰ কোনে দেৱতাৰ উল্লেখ নে জল্পাইগুৰি অঞ্চলৰ কোনো ৰজাৰ উপাধি? ইফালে কামৰূপ আৰু কমতা নাম আছে; আৰু পাল ৰাজত্বৰ শেষ ভাগত কামৰূপৰ ৰাজধানী "কামৰূপ নগৰ"লৈ স্থানান্তৰিত হোৱা কথাও তামৰ ফলিত পোৱা বুলি উল্লেখ কৰি অহা হৈছে। ইফালে এই কামৰূপ-নগৰ সম্ভৱ কমতাপুৰেই বুলিও নানা বিচাৰৰ পৰা ঠাৱৰাই অহা হৈছে; আৰু অন্ততঃ চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকাৰ মাজভাগলৈ লিপিমূলক প্ৰমাণৰ দ্বাৰা প্ৰতিষ্ঠিত কামৰূপৰ এটি সম্পূৰ্ণ ৰাজমালা পাওঁইক, তাত বাহিৰৰ এজন ৰজা আনি বহুৱাবৰ ঠাই নাই। তাৰ পাছত খেন বংশৰ ৰজা নীলধ্বজ (১২০৪-৫৬)

ৰাজপাটত উঠে আৰু নীলাম্বৰক (১৪৫৩-৯৮) তাত বহা পোৱা হয়। শেষৰ ঘটনা, হুছেন খাহৰ বিশ্বাস-ঘাতকতাত ১৪৯৮ত কমতাপুৰ ধ্বংস আৰু ১৫১৫ত বিশ্বসিংহৰ নেতৃত্বত সেই কমতাৰ ভেটিতে কোচবেহাৰত নতুন কোচ ৰাজ্যৰ ৰাজধানী পতা হয়।

এতিয়া সেই বাৰে মনকৰৰ কালৰ বজাজন দ্বাদশ শতিকাৰ শেষ ভাগত অৰ্থাৎ নীলধ্বজৰ (১২০৪-৫৬) আগত আনি বহুৱাব নোৱাৰিলে ভণিতাৰ মিলতে চাই দুৰ্গাবৰ তথা বিশ্বসিংহৰ কাললৈ আনিব লাগিব। এই বিষয়ত তেনেহলে আভ্যন্তৰিক অৰ্থাৎ কবিৰ নিজ ৰচনাৰ ভাষাৰ বিচাৰৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব; তালৈকো মনকৰৰ ৰচনাৰ চানেকিও দিবল। অনাদি-পাতন বা সৃষ্টিৰ আৰম্ভ সম্পৰ্কে মনকৰৰ ভণিতাৰ যি কবিতাটি আছে, তাৰো প্ৰথম পদটি ৰামাই পণ্ডিতৰ "শূন্য পুৰাণ"ৰ ভাষাৰে একে; বাকিখিনিও অনুৰূপ।

"নাহি জল নাহি স্থল নাহিক আকাশ। এ মেৰু মন্দাৰ নাহি নাহিক কৈলাস ॥
নাহি ধৰ্ম নাহি কৰ্ম নাহি বসুমতী। গঙ্গা দুৰ্গা নাহি গোসাঁই লক্ষ্মী সৰস্বতী ॥
নাহি উদয়গিৰি গোসাঁই নাহি অস্তগিৰি। বাসুকী যে নাগ নাহি দ্বাৰকা যে পুৰী ॥
দিবা ৰাত্ৰি নাহি গোসাঁই নাহি অন্ধকাৰ। তিথি যে নক্ষত্ৰ নাহি নাহি দিন-বাৰ ॥
নাহি ৰিদ্ধি নাহি সিদ্ধি এযোগ ধিয়ান। অষ্টবসু নাহি গোসাঁই আগম পুৰাণ ॥
নাহি যতি নাহি সতী নাহি ক্ৰিয়াধাৰী। ঋষি যে তপস্বী নাহি নাহি ব্ৰহ্মচাৰী ॥
নাহি যমৰাজা গোসাঁই নাহি যমালয়। গো যে মনুষ্য নাহি উৎপত্তি প্ৰলয় ॥
স্বৰ্গ নাহি মৰ্ত্ত্য নাহি নাহিক পাতাল। স্থূলৰূপ দেৱৰ দেৱ ভাসে কতকাল ॥
স্থূলৰূপে বৈলা বটপত্ৰৰ উপৰ। হাত ভৰি নাহি গোসাঁই আছে দিগম্বৰ ॥
সৃষ্টি পাতিবাক গোসাঁই কৰিলা যুগুতি। মনকৰে ৰচিলেক সৃষ্টিৰ উৎপত্তি ॥"

এই বৰ্ণনাৰ ভাষা অৱশ্যে ত্ৰয়োদশ শতিকাৰ আগছোৱাৰ বুলিলেও একেবাৰে দুই কৰা কঠিন হব, কিয়নো ই সামান্যভাৱে হলেও পৰিবৰ্তিত হৈ আহিছে।

দুৰ্গাবৰ অৱশ্যে এই মনসা-কবিসকলৰ ভিতৰত যেনে মূৰ-জিলিকা তেনে সৰবৰহী। তেওঁৰ আত্ম-পৰিচয়ৰ ভণিতাত লিখিছে—

"কমতা-ঈশ্বৰ বন্দো বিশ্বসিংহ নৃপবৰ।
আঠচল্লিশ মহিষী বন্দো ওঠৰ কোঙৰ ॥

নীলাচল নামে গ্ৰাম সংসাৰত সাৰ।
আছয় পাৰ্বতী অনুৰৰ ক্ষয়ভাৱ॥"
"কায়স্থ শ্ৰীধৰ, তান পুত্ৰ দুৰ্গাবৰ,
বিৰচিলা গীত বিতোপন।
বাহুবল্ল থিকদাৰ, গন্ধৰ্ব যে অৱতাৰ,
সৰ্বক্ষণে ব্ৰহ্মাণী প্ৰসন্ন॥"

... ইয়াৰ পৰা তেওঁ বিশ্বসিংহৰ (১৫১৫-৪০) আমোলৰ কবি, নীলাচল কামাখ্যাৰ বাসিন্দা, শ্ৰীধৰ কায়স্থৰ পুত্ৰ আৰু দেৱ-উপাসক বুলি বুজিব পাৰি। দুৰ্গাবৰৰো মনসা-গীত বিৰল, আৰু যিখিনি বিচাৰি পোৱা হয় সি অৱশ্যে প্ৰাচীনগন্ধী (১৩৩)—

"হাতত চঞ্চল বেত পালত গোট ধৰি। নমিলা উত্তৰ হস্তে ওঝা ধন্বন্তৰী॥
সনেকাৰ বাক্য শুনি বাণ্ডিচয় বহ। দীপ জ্বালি চাহিবাক লৈলা লহ লহ॥
লাজ নাহি মুখত আমাক বোলা চেড়ি। থুকুৰাক কিসক তুলিয়া দিবো থৰি॥
বেহুলাই বোলে ভাসা কৰিস বুকুত। কেহ্নেৰা ভাৰক দেখোঁ তোৰ শৰীৰত॥"

কিন্তু দুৰ্গাবৰৰ ৰামায়ণ-গীত প্ৰচুৰ আৰু চাৰি পাঁচ কাণ্ড ব্যাপি আছে, আৰু তেওঁৰ বিশিষ্ট কবিত্ব-গুণ এই গীতবোৰত ফুটি উঠিছে। মায়া-মৃগ মাৰি উলটি আহি সীতাক নাপাই ৰাম ব্যাকুল হৈ চেতন-অচেতন সকলো প্ৰাণীক সীতাৰ বাৰ্ত্তা সোধা বিৱৰণ বিতোপন :—

"শশীমুখী বুলিয়া যে কান্দন্ত ৰাঘৱ। হা-হা কৈক গৈলি মোৰ ৰমণী বান্ধৱ॥
চকোৱাৰ সমীপ চাপিলা হৃষিকেশ। ধীৰে ধীৰে পোছয় বচন উপদেশ॥
আকুল কুৰঙ্গ আমি কৈয়ো এক বাৰ্ত্তা। যাইতে দেখিলি কি তই জনক-দুহিতা॥
একেশ্বৰে গৈলা কিবা অনেকে সহিতে। পূৰুব পছিম কিবা দখিণ দিশতে॥
বা বৈশন্য কিবা অগ্নি কোণ যে নৈঋত। কোন পথে গৈলা সীতা কহ স্বৰূপত॥"

এনে বৰ্ণনাই কৃষ্ণক নাপাই গোপীসকল বলিয়াৰ দৰে হৈ গছ-গছনি আদিত বাৰ্ত্তা সোধা শ্ৰীশঙ্কৰদেৱৰ ৰাস-ক্ৰীড়াৰ অনুপম ৰচনালৈ মনত পেলায়। (কীৰ্ত্তন, ৮৫৪-৬১ পদ)।

আচৰিতভাৱে দুৰ্গাবৰী ৰামায়ণ-গীতৰ ভণিতাত পোৱা হয়—
"ৰামৰ চৰণ সেৱি, ৰচিলা ই গীত ছবি,
দুৰ্গাবৰ মহাভক্তি মনে।"

"ৰামৰ চৰণ সেৱি অনুক্ষণে এ, ভণে দুৰ্গাবৰ দাস।"
"সৰস্বতী চৰণত, কবি শিৱ অৱনত,
কবিবৰ দুৰ্গাবৰে ভণে ॥"

"পাৰ্ব্বতী", "ব্ৰহ্মাণী", "সৰস্বতী"ৰ সেৱাক হৈ ৰামৰ ভক্ত হোৱা কথা অৱশ্যে এক প্ৰকাৰে অস্বাভাৱিক আৰু সেইদেখি ভক্তিমূলক ভণিতাখিনি প্ৰক্ষিপ্ত বুলি ভাবিবৰ মন যায়। আকৌ, জটায়ুৰ বৰ্ণনাত দুৰ্গাবৰে ভক্তৰ ভাষাৰে লিখিছে—
"জটায়ু বোলন্ত হেন দুবুলিবা মোক। যেৱে দয়া আছে তেৱে নকৰিবা শোক ॥...
আত পৰে ভাগ্য কোন আছয় আমাৰ। তোমাৰ প্ৰসাদে পাইবোঁ সংসাৰৰ পাৰ ॥
নিজ কৰ্ম্মে হুওঁ প্ৰভু যেহি সেহি গতি। সেহি সেহি জন্মে হৌক তোমাত ভকতি ॥
বৈষ্ণৱৰ সঙ্গতেসে ৰহোক সৰ্ব্বথা। মুখে তযু যশ গাইবোঁ কৰ্ণে তযু কথা ॥"

ক্ৰমবৰ্দ্ধমান বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱলৈ চাই অৱশ্যে আন ফালৰ ইয়াক অস্বাভাৱিক বুলিবও নোৱাৰি, আৰু দুৰ্গাবৰ আদি কবিসকলে প্ৰকাশ্যৰূপে বৈষ্ণৱ ধৰ্ম গ্ৰহণ নকৰিলেও সেই মতবাদে যে আটাইকে গিলি আনিছে, তাক সহজে ধৰিব পাৰি। গতিকে দুৰ্গাবৰৰ নিজৰ লিখনিতো এনে ভক্তিবাদ একেবাৰে অসম্ভৱ নহয়।

নাৰায়ণদেৱ ক্ৰমত তৃতীয় হলেও মনসা কবিৰূপে আটাইতকৈ প্ৰসিদ্ধ, আৰু বঙ্গদেশৰ নানা ঠাইতো এওঁৰ গীত-মাত বিশেষভাৱে প্ৰচলিত। "নৰসিংহ সুত কবি নাম নাৰায়ণ। ৰচিলা প্ৰবন্ধ সেৱি ভৱানী চৰণ ॥" এই ভণিতাৰ পৰা এওঁৰ পিতাক নৰসিংহ বুলি বুজিব পাৰি, ঘৰ ক'ত কব নোৱাৰি; কিন্তু প্ৰচলিত কিম্বদন্তী অনুসাৰে তেওঁৰ পদ্ম-পুৰাণৰ গীতৰ নায়ক লখীন্দাৰৰ বিখ্যাত মেৰ-ঘৰ থকা ছয় গাঁও অঞ্চলৰ দাঁতিকাষৰীয়া পচৰিয়া গাঁৱতে নাৰায়ণদেৱৰ জন্ম। এওঁৰ ৰচিত গীতবোৰ সুকনান্নী অৰ্থাৎ সুকবি-নাৰায়ণী গীত বুলি প্ৰখ্যাত আৰু আজি-কালিও এইবোৰ নামনি অসমৰ ওজা-পালীসকলে গায়। এই ওজা-পালী অসমৰ এক প্ৰাক্‌শঙ্কৰী অনুষ্ঠান আৰু শঙ্কৰদেৱে নাম-কীৰ্ত্তনৰ প্ৰণালী উলিয়াওঁতে ইয়াকেই উপযোগী কৰি ব্যৱহাৰ কৰিছে বুলি ভাবিবৰ হেতু আছে। শ্ৰীশঙ্কৰদেৱে ধৰ্মপ্ৰচাৰ কৰা প্ৰথম অৱস্থাৰ বৰ্ণনা দৈত্যাৰিৰ গুৰু-চৰিতত লিখিছে (২৮৬-৯৫ পদ)—

"ৰাম ৰাম গুৰু ৰামদাস ওঝা দুই। মাধৱে কীৰ্ত্তন কৰা ডাইনা-পালি হুই ॥
কংসবধ যোৰা ৰাম ৰাম গুৰু গান্ত। সেহি সময়ত প্ৰেম উপজিল তান্ত ॥
দিনেক শঙ্কৰদেৱ সভাত আছন্ত। মহাৰঙ্গে ৰামদাস কীৰ্ত্তন কৰন্ত ॥

অমৃত বৰিষে যেন শুনিয়া লোকৰ। প্ৰহ্লাদ-চৰিত্ৰ-পদ ঘোষা-কীৰ্ত্তনৰ ॥”

পূজা-পাৰ্বণ আদিত নাৰায়ণদেৱৰ পদ্মপুৰাণ বা মনসা-গীত নামনি অঞ্চলত আজিও গোৱা হয়। এনেদৰে গীত গোৱা ৰীতি অকল প্ৰাক্‌শঙ্কৰী যুগতে কিয়, সদৌ ভাৰতত আগৰে পৰা লৱ-কুশৰ ৰামায়ণী-গীত আৰু ইউৰপতো তেনে প্ৰসঙ্গত চলিত থকা কথাই প্ৰমাণিত কৰে।

সুকনান্নীৰ বিভিন্ন ভাগ আছে, তাৰে কিছুমান মন্ত্ৰৰ দৰে সাপে-কামোৰাৰ প্ৰতিষেধক ৰূপে ব্যৱহাৰ কৰে; দুৰ্গাবৰী আৰু সুকনান্নী গীত নামনি অসমৰ মুছলমান সমাজতো প্ৰচলিত আছে। সুকনান্নীৰ এটি খণ্ডৰ নাম ভাইঠেলী; কিয়নো এই খণ্ডৰ মন্ত্ৰ ব্যৱহাৰ কৰিলে সাপৰ বিষ ভটিয়াই অৰ্থাৎ নামি আহে। ইয়াৰ উপখণ্ডও আছে; প্ৰথমতে পদ্মাই লখীন্দাৰ আৰু চন্দ্ৰধৰৰ প্ৰিয়-পৰিজনৰ প্ৰাণ লোৱাৰ পৰিকল্পনা, দ্বিতীয়ত বেউলা-লখীন্দাৰৰ শৱটি লৈ উটি যোৱা, তৃতীয়ত বেউলা-লখীন্দাৰ আৰু তেওঁৰ আন প্ৰিয়-পৰিজনৰ পুনৰুদ্ধাৰৰ কথা, ইত্যাদি। পদ্মাৰ নিষ্ঠুৰ আদেশ পাই কালী নাগে নৱ-দম্পতীৰ প্ৰথম মিলন-নিশাত লখীন্দাৰক খুটিবলৈ দোধোৰ-মোৰ কৰি যোৱা গীতটি নাৰায়ণদেৱৰ কবিত্বৰ শ্ৰেষ্ঠ নিদৰ্শন (অধ্যয়ন, ৮০-৮১)।

ভাইঠেলী খণ্ডৰ বাহিৰেও সুকবি নাৰায়ণদেৱৰ ৰচিত বিষহৰিৰ জন্ম, পৰীক্ষিত বধ, পুষ্পধাৰী-খণ্ড আদি প্ৰকাশিত হৈছে, আৰু বহুত খণ্ড চাগৈ এতিয়াও আন্ধাৰতে। এইখিনিৰ পৰা নাৰায়ণদেৱ এজন ৰচনা-বহুল লেখক বুলি বুজিব পাৰি; কিন্তু এওঁৰো বহুত ৰচনাত বৈষ্ণৱ লিপিকাৰে হাতে ফুৰোৱাৰ প্ৰমাণ পোৱা হয়। উদাহৰণৰূপে, বিষহৰিৰ জন্মখণ্ড আচৰিতভাৱে আৰম্ভ কৰা হৈছে, “ও মনাই, হৰি আহে মোৰ যদুৰায়।” পৰীক্ষিত-বধ খণ্ড ৰাম-বন্দনাৰ এটি সম্পূৰ্ণ কবিতাৰে আৰম্ভ কৰি সামৰণি মাৰিছে, “নাৰায়ণদেৱে বোলে, প্ৰভু ৰাম-পদতলে, বিপ্ৰক (?) জানকীনাথে গই।” আৰু এটি গীতৰ ভণিতাত আছে, “নামে ভৱ নামে সিন্ধু মুকুন্দ মুৰাৰি। সৱাৰে দুৰ্গতি খণ্ডোক বোলা জয় হৰি ॥” পুষ্পধাৰী খণ্ডও এটি বৈষ্ণৱ ঘোষাৰে মুকলি কৰিছে, “এ জয় হৰি বোল, হৰি বোল মুখে। এ ভাই, হেলায় জন্ম গৈল দুখে ॥” দ্বিতীয় ঘোষাত লিখিছে, “আজু বৃন্দাবনে চলিল গোপাল। সঙ্গত ক্ৰীড়িয়া ফুৰে যত ৰাখোৱাল ॥” আৰু বিপৰীতভাৱে সামৰণি মাৰিছে, “নাৰায়ণদেৱে গায় মধুৰ সঙ্গীত। পদ্মাৱতী চৰণে মজিয়া ৰৌক চিত ॥”

নাৰায়ণদেৱৰ কাল-সম্পৰ্কে দুই এটি বিভিন্ন মত বা ভুল ধাৰণা আছে। ভাইঠেলী খণ্ডৰ এটি ভণিতাত—

"শুনা কুমাৰ কেশাই, হাছান হোছেন দুই ভাই,
দিল্লীপুৰে আছিল মহাৰজা।
মোৰ সঙ্গে বিবাদ কৰি, ভাঙ্গিলা মোৰ ঘৰবাৰী,
ভায়ে দিয়ে নৱ লক্ষ পূজা॥"

আন কোনো ভণিতাত আছে, "নিকটে আছয় বৈৰী হাছান হোছেন।" ইয়াকে কোনোৱে বিশ্বাস-ঘাতকতাৰে কমতাপুৰ ধ্বংসকাৰী বঙ্গৰ শাসক হুছেন শ্বাহৰ উল্লেখ বুলি হুতাই-তাইকৈ ধৰি নাৰায়ণদেৱৰ কাল নিৰ্ণয় কৰিব খোজে; কিন্তু বিখ্যাত কাৰবালাৰ কাহিনীৰ "হাছান হুছেন দুই ভাই" থাকোঁতেও, দুইকো মোহাৰি এক হোছেন শ্বাহ সাজিবৰ হেতু বিচাৰি পোৱা টান। নামনি অসমৰ মুছলমানে গোৱা মনসা-গীতত এনে জোৰা দিয়া ভণিতাৰ অৰ্থ বিচৰা বনবীয়া হাঁহ ধৰিবলৈ যোৱাৰ নিচিনা নিশ্চয়। তদুপৰি শ্ৰীহট্ট আৰু পূৰ্ববঙ্গত প্ৰচলিত মনসা-গীতৰ পৰা বঙ্গীয় সাহিত্যৰ বুৰঞ্জী-লেখক দীনেশচন্দ্ৰ সেনে নাৰায়ণদেৱক পঞ্চদশ শতিকাৰ আগভাগত বহুৱাব খোজে, কিন্তু তাৰ বিশেষ যুক্তি বিচাৰি পোৱা টান। মনকৰ আৰু দুৰ্গাবৰ এই দুজন মনসা-কবিৰ ভাষাতকৈ নাৰায়ণ দেৱৰ গীতৰ ভাষা অধিক প্ৰাচীন যেন নালাগে; দুৰ্গাবৰৰ ভণিতাৰ পৰা তেওঁক বিশ্বসিংহৰ সমসাময়িক আৰু এই বাবেই ষোড়শ শতিকাৰ আগভাগ বা পঞ্চদশ শতিকাৰ শেষ ভাগৰ বুলি ঠাৱৰোৱা হৈছে, এতেকে নাৰায়ণদেৱৰ কাল তাৰ আগত নহয় বুলি ধৰিব পাৰি।

ষষ্ঠীবৰ নামৰ চতুৰ্থ এজন মনসা-কবিৰ নাম আৰু ৰচনাৰ চানেকি বেণুধৰ ৰাজখোৱাৰ পৰা পোৱা হয়। নাৰায়ণদেৱ আৰু ষষ্ঠীবৰ দুই জনৰে ঘৰ শ্ৰীহট্টত বুলি তেওঁলোকক বঙালীৰ ফালে দাবী কৰা হয়। কিন্তু এই কবি দুজনৰ তথা শ্ৰীহট্টৰ ভাষাও যে পুৰণি অসমীয়াই তাক বেণুধৰ ৰাজখোৱাই সুপ্ৰমাণিত কৰিছে। ষষ্ঠীবৰৰ প্ৰাঞ্জল ভাষাৰ চানেকি ৰূপে চান্দ সদাগৰৰ লঙ্কা-যাত্ৰা আৰু ফুলৰ মেলৰ বৰ্ণনা দুটি মন কৰিব লগীয়া (অধ্যয়ন, ৮২ পিঃ)।

মহাভাৰতৰ কবিসকল—কবীন্দ্ৰ, সঞ্জয়, আদি

বৰ্তমান গোৱালপাৰা জিলাৰ খুটাঘাট পৰগণাৰ চিকণগড় গাঁৱত হাড়িয়া

মণ্ডলৰ পুত্ৰৰূপে সামান্য এবৰ মানুহত বিশুৰ জন্ম হয় ; হুছেন শ্বাহ বঙ্গৰ ৰাজ-পাটত থকা কালৰ (১৪৯৪-১৫২৫) ভিতৰত বিশ্বসিংহ নাম লৈ চিকণগড়ৰ পৰা আহি কোচবেহাৰত ৰাজধানী পাতি কৰতোয়া আৰু বৰনদীৰ মাজৰ দেশত ৰাজত্ব (১৫১৫-৪০) কৰে। মিথিলাৰ পৰা নৰহৰি নামৰ এজন কায়স্থ আনি বিশ্বসিংহই তেওঁক মন্ত্ৰী পাতে ; নৰহৰিৰ জীৱিত কালতে এওঁৰ পয়োনিধি নামৰ এজন পুতেক ঢুকায়, আৰু পাছত কৱিকৰ্ণপুৰ উপাধি পোৱা আন এজন পুতেক সন্ন্যাসী হৈ যায়। নৰহৰিৰ তৃতীয় পুতেক বাণীনাথে পাণ্ডিত্যৰ বাবে "কবীন্দ্ৰ" আৰু নৰনাৰায়ণৰ মন্ত্ৰীৰূপে "পাত্ৰ" উপাধি পায় ; ১৫৮০ লৈকে এওঁ নৰনাৰায়ণৰ (১৫৪০-৮৪) মন্ত্ৰী আছিল। বাণীনাথ মল্লদেৱ (নৰনাৰায়ণ) আৰু শুক্লধ্বজৰ (চিলাৰায়) বাল্যবন্ধু আছিল, আৰু এওঁ তেওঁলোক কাশীত পঢ়িবলৈ যোৱাৰ আগলৈকে বিশ্বসিংহৰ ৰাজসভাত থকা মৈথিলী পণ্ডিত সাৰ্বভৌমৰ অধীনত ৰাজপুত্ৰৰ সমানেই শিক্ষা-লাভ কৰিছিল। কাশীৰ পৰা উলটি আহি মল্লদেৱ আৰু শুক্লধ্বজ ক্ৰমে ৰজা আৰু ৰাজসেনাপতি হোৱাত বাণীনাথ ৰাজমন্ত্ৰী হল ; আৰু কোনো দিগ্বিজয় আদিতো বাণীনাথ কবীন্দ্ৰ পাত্ৰ এওঁলোকৰ লগৰীয়া হৈছিল। "দৰং-ৰাজবংশাৱলী"ত পোৱা হয় হেড়ম্বপুৰ জয়ৰ কাৰণে চিলাৰায় অকলে যাব খোজোঁতে, নৰনাৰায়ণে তেওঁক নিৰ্দেশ দিছে—"ৰাজা বোলে বায়ো বাপু বিলম্ব নকৰি। কবি-ইন্দ্ৰ পাত্ৰকো নিয়োক লগ কৰি ॥ ৩৮৯।" কবীন্দ্ৰ পাত্ৰ কবি আৰু যোদ্ধা আছিল, এইবাবে তেনে এজন ইংৰাজ কবি-যোদ্ধাৰ লগত তুলনা কৰি এওঁক অসমৰ ছাৰ ফিলিপ্ ছিদনী বোলা হৈছে।

বঙ্গৰ ৰজা আলাউদ্দীন হুছেন শ্বাহৰ (১৪৯৪-১৫২৫) দুজন সেনাপতিৰ এজন স্বয়ং ৰাজকুমাৰ ভাবী সম্ৰাট নছৰৎ শ্বাহ আৰু ইজন পৰাগল খাঁ। এই পৰাগল খাঁৰ নিৰ্দেশ অনুসাৰেই কবীন্দ্ৰই মহাভাৰতৰ পদ-ভাঙনি কৰে (৪-১১ পদ)।—

"সুলতান আলাপদীন্ প্ৰভু গৌড়েশ্বৰ। এ তিন ভুবনে যাৰ যশেৰ প্ৰসাৰ ॥
লস্কৰ পৰাগল খান শুনন্ত কাহিনী। যেন মতে পাণ্ডৱে হাৰাইলা ৰাজধানী ॥
এই সব কথা কহ অতি সংক্ষেপিয়া। দিনেকে শুনিতে পাৰি পাঁচালী ৰচিয়া ॥
তাঁহাৰ আদেশ মাল্য মস্তকে কৰিয়া। কবীন্দ্ৰ পৰম যত্নে পাঁচালী ৰচিয়া ॥"

"বাঙ্গলাৰ ইতিহাস" লেখক ৰাখালদাস বন্দ্যোপাধ্যায়ে লিখিছে, "হুসেন সাহ

পৰাগল খাঁ নামক একজন সেনাপতিকে চট্টগ্ৰাম প্ৰদেশে ভূসম্পত্তি প্ৰদান কৰিয়াছিলেন ; এই পৰাগল খাঁৰ আদেশে কবীন্দ্ৰ পৰমেশ্বৰ মহাভাৰতেৰ আদি-পৰ্ব হইতে স্ত্ৰীপৰ্ব বাঙ্গলা ভাষায় অনুবাদ কৰিয়াছিলেন।" তদুপৰি "বঙ্গভাষা ও সাহিত্য"ত দীনেশচন্দ্ৰ সেনে লিখিছে,—"ফণী" (আধুনিক ফেনা) নদীৰ তীৰে চট্টগ্ৰাম জোৰওয়াৰগঞ্জ থানাৰ অধীন পৰাগলপুৰ এখনও বৰ্ত্তমান··· পৰাগল খাঁৰ প্ৰাসাদাবলী এখন ৰাশিকৃত ভগ্ন ইষ্টকস্তূপে পৰিণত।···কিন্তু একখানি তুলট কাগজে লিখিত কীটদ্ৰংষ্ট্ৰাবিদ্ধ লূতাতন্তুজড়িত প্ৰাচীন পুথি লুপ্ত স্মৃতি উদ্ধাৰ কৰিয়াছে ; সে পুথিখানি "পৰাগলী ভাৰত" অথবা কবীন্দ্ৰ পৰমেশ্বৰ বিৰচিত মহাভাৰত।" (১৫৮ পিঠি)।

এই মহাভাৰতৰ "বাঙলা ভাষা" আৰু লেখকৰ "কবীন্দ্ৰ পৰমেশ্বৰ" নাম উভয়েই সমান ৰহস্যজনক। পুথিৰ ভিতৰত ক'তো "কবীন্দ্ৰ পৰমেশ্বৰ" উপাধি নাই, হবও নোৱাৰে ; উদ্ধৃত পদৰ শেষ শাৰী "কবীন্দ্ৰ পৰমযত্নে পাঁচালী ৰচিয়া।" তাকেই "কবীন্দ্ৰ পৰমেশ্বৰ পাঁচালী ৰচিয়া" বুলি আবিষ্কাৰ কৰাই অতি সম্ভৱপৰ। এই পুথিৰ নকল পোনতে চট্টগ্ৰামত পাই তাৰ ভাষাৰ বিশেষত্ব ভালদৰে উপলব্ধি কৰিব নোৱাৰি তাক পুৰণি বঙলা ভাষা বুলি কথা চমু চপাই থোৱাও স্বাভাৱিক। কিন্তু ইয়াৰ পাছত ১৯২০ৰ পাছত অসমৰ গৌৰীপুৰৰ ৰাজপৰিয়ালৰ পুথি-ভৰালত যেতিয়া এই মহাভাৰতৰ তিনটি সুকীয়া নকল পোৱা হল, তেতিয়া তাৰ মূল ৰহস্য উদ্‌ঘাটিত হৈ কবীন্দ্ৰ পাত্ৰ যে সেই ৰাজপৰিয়ালৰ পূৰ্বপুৰুষ সি ওলাই পৰিল। সৌভাগ্যক্ৰমে সেই ৰাজপৰিয়ালৰ যত্নত ১৯৩০-৩১ত গৌৰীনাথ চক্ৰবৰ্তী শাস্ত্ৰীৰ দ্বাৰা ই সম্পাদিত হৈ ওলাল ; অলপ মাত্ৰ দুখৰ কথা, লেখকৰ অসমীয়া ভাষাৰ জ্ঞান বা তাৰ প্ৰতি শ্ৰদ্ধা সিমান গভীৰ নথকা হেতুকে পুথিখন বঙলা বুলিলেও বঙলা সাজত ওলাল। সম্পাদকে ব্লক কটাই ছপাই দিয়া পাতটিৰ প্ৰতিকৃতি আৰু "১০৭ বৎসৰেৰ" আৰু "২০০ বৎসৰেৰ পুৰাতন পুস্তক আদৰ্শলিপি (বানানেৰ আদৰ্শ)" ৰি আহি দিছে, তাৰ পৰা স্পষ্ট প্ৰমাণ হয় যে পুথিখন সম্পূৰ্ণ অসমীয়া আখৰ, ব্যাকৰণ, আৰু ভাষাৰ নিদৰ্শন। সম্পাদকৰ সৌজন্যত ছপাৰলৈ নকল কৰোঁতাৰ আগতে পুৰণি পাণ্ডুলিপিকেইটি আমি মিলাই চাবৰ সুযোগ পাইছিলোঁ ; কিন্তু কবলৈ দুখ লাগে, লেখকে আমাৰ পৰামৰ্শ সত্ত্বেও "বেহু"ক "ব্যূহ" কৰাৰ দৰে ভালেখিনি ঠাইত পুথিখন অন্যায়ভাৱে হাত ফুৰাই "শুধৰাই" পুৰণি অসমীয়া গঢ়ৰ চিন ভালেখিনি

মোহাৰিলে। তথাপি যি আছে আৰু যেনেকৈ ছপা হৈছে, তাতো অসমীয়া ভাষাৰ বৈশিষ্ট্য একেবাৰে লুপ্ত হোৱা নাই নিশ্চয়। এই মহাভাৰতখনি অতি সংক্ষিপ্ত হলেও মূলৰ লগত যে ভাঙনিৰ সম্পূর্ণ মিল আছে তাক দীনেশচন্দ্র সেনে উদ্ধৃতিৰে দেখুৱাইছে (অধ্যয়ন, ১০৬-০৭)।

কবীন্দ্র মহাভাৰতৰ ৰচনা তেন্তে হৰিহৰ বিপ্র, কবিৰত্ন সৰস্বতী আদিৰ আংশিক ভাঙনিতকৈ পাছৰ হলেও ৰাম সৰস্বতীৰ পাছ নহব ; ই কাশীনাথ দাসৰ বঙলা মহাভাৰততকৈ যেনে মৌলিক তেনে প্রাচীন সন্দেহ নাই। এই সকলো ফালৰ পৰাই অসমীয়া সাহিত্যলৈ ই এটি বিশিষ্ট অৱদান।

সঞ্জয় কবি মহাভাৰতৰ আৰু এজন পদ-ভাঙনি কৰোঁতা। এওঁৰ ৰচিত মহাভাৰত বঙ্গদেশৰ বিক্রমপুৰ, শ্রীহট্ট, ত্রিপুৰা, নোৱাখালি, চট্টগ্রাম, ফৰিদপুৰ, ৰাজশাহী প্রভৃতি ঠাইত পোৱা হৈছে বুলি "বঙ্গভাষা ও সাহিত্য" লেখক দীনেশ-চন্দ্র সেনে কৈছে, আৰু সঞ্জয়ৰ "গ্রাম্য ভাষা ও প্রাচীন বিভক্তিৰ জটিলতা অনেক স্থলেই বিৰক্তিকৰ" বুলিছে। কিন্তু তেওঁৰ উদ্ধৃতিৰ পৰাই ই সুন্দৰ সহজ অসমীয়া বুলি বুজিব পাৰি, যদিও অৱশ্যে আধুনিক বঙলা ভাষাৰ বাবে ই আচহুৱা—

"ৰাজাৰ আদেশ পাই, দুঃশাসন গৈলা ধাই,
সভাত আনিল একেশ্বৰী।
একবস্ত্রা ৰজস্বলা, দ্রুপদ-নন্দিনী বালা,
ৰাহুএ যেন চন্দ্র নিল হৰি॥
মন্দ বোলে সভাজন, ধর্মশাস্ত্র অকাৰণ,
উচিত নোবোলে কোন জনা।
কাঁদয়ে সুন্দৰী ৰামা, ৰূপে-গুণে অনুপমা,
নয়নে বহয়ে জলধাৰা॥
আপনে হাৰিল পতি, মোহোৰ যে কোন গতি,
উত্তৰ নাদিওঁ সভাজন।
দ্রৌপদীৰ বাক্য শুনি, সভাসদে কানাকাণি,
অন্যোঅন্যে মুখ নিৰীক্ষণ॥"

পীতাম্বৰ কবি অন-বৈষ্ণৱ শঙ্কৰী যুগৰ কবিৰ ভিতৰত বৰ জনাজাত ; তাৰ কাৰণ একাধিক শঙ্কৰ-চৰিতত এওঁৰ বিশেষ উল্লেখ আছে। শ্রীশঙ্কৰদেৱে নামনি

অসমত ধৰ্মপ্ৰচাৰ কৰোঁতে চুণপোৰাত (বৰ্তমান বৰপেটা) ভৱানন্দ সাউদে (পাছত নাৰায়ণ ঠাকুৰ আতা) এইজন কবিৰ ৰুক্মিণীহৰণ কাব্যৰ পদ শঙ্কৰদেৱৰ আজ্ঞামতে আবৃত্তি কৰাৰ প্ৰসঙ্গ ৰামচৰণ ঠাকুৰৰ শঙ্কৰ-চৰিতত (২৪২১-২৪ পদ) এনেদৰে আছে—

"নাৰায়ণো বসিলন্ত পুছিলা শঙ্কৰ। ইতো ৰাজ্যে উত্তম আছয় কোন নৰ॥
নাৰায়ণে কহিলন্ত চৰণত সেৱি। আছে একজন পীতাম্বৰ নাম কবি॥
শঙ্কৰে বোলন্ত কেনে কবিতা কৰয়। গোৱা নাৰায়ণ শুনো গীতৰ অন্বয়॥
শুনি নাৰায়ণে পাছে সুঁৱৰি মনত। কবি-কৃত গীত গান্ত শঙ্কৰ আগত॥
বিলাপ কৰিয়া কান্দে দেৱী ৰুক্মিনী। কোন অঙ্গ খুণ দেখি নাইলা পদ্মপাণি॥
আৰ গাইবে নিদিলা শঙ্কৰ মহামতি। জানিলোহো নাৰায়ণ সিটো অল্পমতি॥
গীততে জানিলোঁ কাম-বশ্য সিটো জন। আন কোন আছে কহিয়োক নাৰায়ণ॥"

ৰামানন্দৰ গুৰু-চৰিততো প্ৰায় অবিকৃতভাৱে আছে (৮০১-০৩)—

"শঙ্কৰ বদতি নাৰায়ণ শুনিয়োক। তৈত কোন আছে হৰি-পৰায়ণ লোক॥
নাৰায়ণে কন্ত তান নাম পীতাম্বৰ। কবিছন্ত পদ তেন্তে দশম স্কন্ধৰ।
শঙ্কৰে বোলন্ত নাৰায়ণ মহাশয়। তাহান কবিতা মুখে আসে কি নাসয়॥
নাৰায়ণ ঠাকুৰে পাছে গাইবাক লাগিলা। যেনমতে ৰুক্মিণীয়ে কৃষ্ণক ভাবিলা॥...
শুনিয়া বোলন্ত আৰ গাইবে নলাগয়। গৰ্ব্ব-পৰ্ব্বতত সিটো উঠিয়া আছয়॥
ধৰ্ম ধৰিবাৰ সিটো নোহে যোগ্য লোক। আন কোন আছে নাৰায়ণ কহিয়োক॥"

অৱশ্যে বৰ্তমান পীতাম্বৰ কবিৰ এই ৰুক্মিণী-হৰণ কাব্য পাবলৈ নাই; কিন্তু শঙ্কৰদেৱে নিজে দশম স্কন্ধৰ ভাঙনিৰ উপৰিও ৰুক্মিণীহৰণ কাব্য আৰু নাট দুই ধৰণে লিখি পীতাম্বৰৰ এই কাব্য নিন্দিলে কিয়? শঙ্কৰদেৱে ইয়াত ইন্দ্ৰিয়ালুতা তথা লৌকিকতাৰ যি গোন্ধ পাইছিল, সেয়ে সম্ভৱ প্ৰাক্‌শঙ্কৰী সাহিত্যক শঙ্কৰী সাহিত্যৰ পৰা পৃথক কৰিছিল, আৰু পূৰ্বশঙ্কৰী তেনে লৌকিক গীত-মাততকৈ পৃথক বা শ্ৰেষ্ঠ বুজাবৰ বাবেই "বৰগীত"ৰ জন্ম। সি যি হওক, পীতাম্বৰৰ "উষা-পৰিণয়" কাব্যৰ পৰাও আমি কবিৰ এই ইন্দ্ৰিয়ালু স্বভাৱৰ গম ধৰিব পাৰোঁহঁক—

"দেখিয়া কুমাৰী উষা গুণে মনে মনে। ধন্য নাৰী পুৰুষ বিলাপ কৰে বনে॥
হেনয় সময়ে যায় কোলে নাহি পড়ি। অকাৰণ প্ৰাণ ধৰে সেহিসে যুৱতী॥
ৰসন্ত সময়ে যাৰ কোলে নাহি পতি। কলসি বান্ধিয়া জলে মৰোক যুৱতী॥

ব্যৰ্থ মোৰ জন্ম ভৈল ৰাজাৰ কুমাৰী। হেন বনে একলে বেৰাওঁ মই নাৰী ॥
উষাৰ বিবাহ কথা পুণ্যময় অতি। শুনিলে বাঞ্ছিত সিদ্ধি বাঢ়য় বিভূতি ॥
বাঢ়ে পুত্ৰ-পৰিয়াল নাশ কৰে দুঃখ। শৰীৰ ছাড়িয়া গিয়া ভুঞ্জে স্বৰ্গ-সুখ ॥"

এই বৰ্ণনাতো ইন্দ্ৰিয়ালুতাৰ কথা এৰিও পুণ্যৰ ফল স্বৰূপে বৈষয়িক সুখ আৰু স্বৰ্গ-লাভৰ প্ৰলোভন অৱশ্যে অন-বৈষ্ণৱ ভাবাৱেশ। "উষা-পৰিণয়"ৰ ভণিতাৰ পৰা তাৰ ৰচনা-কাল আৰু কবিৰ আত্ম-পৰিচয় পোৱা হয়ঃ—

"পীতাম্বৰ নামে কবি শিশুমতি অতি। উষা-পৰিণয়-লাস কথা ৰস-ৰতি ॥
বাণ যুত বাণ বেদ শশাঙ্ক সময়। বৈশাখৰ সিত শুভ পক্ষত সময় ॥
সৰ্বসিদ্ধি যোগ আৰু শুভ গুৰুবাৰ। কহে পীতাম্বৰে উষা-বিবাহ পয়াৰ ॥"

অৰ্থাৎ ১৪৫৫ শকৰ (১৫৩৩ খৃঃ) বহাগত এই কাব্য ৰচনা কৰা হয়। ভাগৱত দশম স্কন্ধ আৰু মহাভাৰতৰ এনে আখ্যানৰ উপৰিও মাৰ্কণ্ডেয় পুৰাণৰ চণ্ডী আখ্যান আদি পীতাম্বৰে ৰচিছিল বুলি জানিবলৈ পোৱা হয়।

এইসকলৰ উপৰিও এই যুগৰ আন কেইবাজনো অন-বৈষ্ণৱ কবিৰ নাম পোৱা হয়। "শিয়াল গোসাঁই" নামে এখন পুথি কবিৰাজ মিশ্ৰই আঃ ১৬১৬ ত লিখা বুলি ধৰা হয়। তাৰ কাহিনী, ধৰ্মদেৱ ভূঞা নামে এজন বামুণ তীৰ্থলৈ যাওঁতে চন্দ্ৰতৰা নামৰ ঘৈণীয়েকৰ এটি লৰা ওপজাত সতিনীয়েক কুন্দতৰাই বুদ্ধি কৰি লৰাটি হাবিত পেলাই দিয়ালে ; বামুণ ঘূৰি আহি শিয়ালৰ গাতৰ পৰা লৰাটি উদ্ধাৰ কৰিলে, আৰু তেবেঁই কালত শিয়াল গোসাঁই নাম পালে। ঘটনাটি কাল্পনিক, আৰু ৰচয়িতা এজন গাঁৱলীয়া কবি—

"সূৰ্য্য বিপ্ৰকুলে জন্ম এই অধমৰ। দৰঙ্গৰ মধ্যে গ্ৰাম ছপাৰাত ঘৰ ॥
নামে কবিৰাজ কবি সুছন্দ সদায়। চাউল মাগি ফুৰোঁ এহি কবিতা বৰ্ণাই ॥"

১৫৯৩ ত ৰামপতি নামে এজনেও চাণক্যৰ পদ-ভাঙনি কৰে, তাত ১৩৬ মান পদ আছে, তাৰ উদাহৰণ—

"অতি দান অতি দৰ্প দুহিকস্ত ভাল। অতি ৰূপৱতী কন্যা দুহিকস্ত ভাল ॥
অতি দানে বলি ৰজা পাইলেক বন্ধন। অতি দৰ্পে নষ্ট ভৈলা লঙ্কাৰ ৰাৱণ ॥
অতি ৰূপে সীতাৰ দুখৰ নাহি পাৰ। তিনিও দুহিকে ভাল জানা সাবাসাৰ ॥"

৪। নৱ-জন্মৰ বৈষ্ণৱ-সাহিত্য—শ্ৰীশঙ্কৰ-সূৰ্য্যৰ উদয়

ৰাজনীতি আৰু ধৰ্মনীতিত বিভিন্ন শক্তিৰ যুজ-বাগৰ চলি অহাৰ কথা আগতে উল্লেখ কৰা হৈছে ; সমাজ-নীতি ক্ষেত্ৰতো সেইদৰে এই যুগত প্ৰকৃততে

তলৰ মাটি ওপৰ হয় বুলিব পাৰি। ধৰ্মৰ নামত অধৰ্ম, সত্যৰ নামত অসত্য আৰু পুণ্যৰ নামত পাপৰ প্ৰচলন কৰা হেতুকে ধৰ্মাধিকাৰসকলৰ বিৰুদ্ধে জন-গণৰ অকল অসন্তোষেই নহয়, অশ্ৰদ্ধাৰ ভাবো বাঢ়ি আহিল; আৰু ইয়াৰ সমানে সমানে সেই সুবিধা-প্ৰাপ্ত শ্ৰেণীৰ সন্মান আৰু প্ৰভাৱ টুটি আহিল। তেওঁলোকৰ অধিকাৰিত্বৰ বিৰুদ্ধে ফেপেৰি পাতি উঠাৰ লগে লগে সংস্কৃতিৰ একস্বত্ববাদ গুচিবলৈ ধৰিলে; আৰু চছাৰৰ যুগৰ (১৩৫০-১৪০০ খৃঃ) ইংলণ্ডৰ বিবেক জাগ্ৰত কৰিবলৈ জন উইক্লিফে (১৩২৪ ?-১৩৮৪ খৃঃ) প্ৰপীড়িত সমাজৰ হাতত বাইবেল ভাঙনি কৰি দিয়াৰ দৰে এই যুগতে হিন্দু-ধৰ্মশাস্ত্ৰবোৰ অসমীয়ালৈ ভাঙিবৰ দিহা হয়। আকৌ ইংলণ্ডৰ জ্ঞানৰ নৱজন্মৰ যুগৰ (১৪৬০-১৫৫০ খৃঃ) দৰে এই যুগতেই ঘোৰ পৰিবৰ্ত্তনৰ অগ্ন্যুৎপাত হয়, আৰু এলিজাবেথৰ যুগৰ (১৫৫০-১৬২০ খৃঃ) দৰে শ্ৰীশঙ্কৰদেৱৰ আবিৰ্ভাৱৰ লগে লগে শুই থকা অৱস্থাত বুকুৰ পৰা হাত গুচিলেই টোপনিত মোকৃমোকোৱা ৰোগ গুচাৰ দৰে অসমীয়া জাতিৰ সকলো ভয়-সংশয় আৰু সন্দেহ দূৰীভূত হয়। তদুপৰি অসমীয়া সমাজ-সাহিত্যৰ মহান্ কেন্দ্ৰৰূপে শ্ৰীশঙ্কৰদেৱকে ঘাই কৰি এই সকলো আন্দোলন অতি সুচাৰুৰূপে সম্পন্ন হয়।

আত্ম-পৰিচয়মূলক ভণিতাত শঙ্কৰদেৱে দশম স্কন্ধ ভাগৱত আৰু উত্তৰকাণ্ড ৰামায়ণত একেদৰেই লিখিছে—

"বৰদোৱা নামে গ্ৰাম, শস্যে-মৎস্যে অনুপাম,
লোহিতৰ অতি অনুকূল।
সেই মহাগ্ৰামেশ্বৰ, আছিলন্ত ৰাজ্যধৰ,
কায়স্থ কুলত পদ্মফুল॥
তান পুত্ৰ সূৰ্য্যবৰ, মহাবলী দেশধৰ,
দানী মানী পৰম বিশিষ্ট।
যাৰ যশ এভু জ্বলৈ, জয়ন্ত মাধৱ দলৈ
দুয়ো ভাই যাহাৰ কণিষ্ঠ॥
তান পুত্ৰ কুলোদ্ভাৱ, ভৌমিক মধ্যত সাৰ,
প্ৰসিদ্ধ কুসুম নাম যাৰ।
তান পুত্ৰ শিশুমতি, কৃষ্ণ পাৱে কৰি ৰতি,
বিৰচিলা শঙ্কৰে পয়াৰ॥"

এই ৰাজধৰৰ পিতাক চণ্ডীবৰ আৰু তেওঁৰ পিতাক লণ্ডাদেৱ (ৰাম, ৫০৫৫)—

"লণ্ডাদেৱ নামে সিটো পুৰুষ অদ্ভুত। অস্ত্ৰ-শস্ত্ৰ শাস্ত্ৰত যে বৰই পাৰ্গত ॥
পৰম গম্ভীৰ ধীৰ বুদ্ধিত সাগৰ। পৃথিবীত নাহি লণ্ডাদেৱ সমসৰ ॥
বঙ্গাল মাৰিবে গৌৰেশ্বৰে পাঞ্চি দিল। সমস্ত ৰাজ্যক জিনি একত্ৰ কৰিল ॥
সৈন্যৰ শোণিতে এক নদী বহি যাই। চক ভৰি শোণিতক লৈলা সেহি ঠাই ॥
সেহি তেজে লণ্ডাদেৱ পূজিলন্ত চণ্ডী। দিয়ো বৰ মাৱ বন্ধ্যা নাম যাওক খণ্ডি ॥
তুষ্ট হুয়া চণ্ডী মাৱ মোক দিয়ো বৰ। এক গুটি পুত্ৰ হোক তবু সমৰৰ ॥
সিদ্ধি হোক বুলি সতী গৈলা দিয়া বৰ। ভৈল পুত্ৰ তান তেৱে নাম চণ্ডীবৰ ॥
সৰ্বগুণান্বিত মহা বীৰ্য্যৱন্ত মতি। গৌড়েশ্বৰে দয়া পাছে কৰিলা সম্প্ৰতি ॥
কনৌজপুৰত বাসা জানা তাসম্বাৰ। দেৱীপূজা কৰ্ম্ম তেন্তে কৰন্ত বিস্তাৰ ॥
ভক্তি কৰি দেৱীক কৰিলা দাসী প্ৰায়। দেৱীদাস নাম ভৈলা এহি কাৰ্য্যে যাই ॥"

গৌড়েশ্বৰ দুৰ্লভনাৰায়ণ আৰু কমতেশ্বৰ ধৰ্মপালৰ মাজত হোৱা এখন যুদ্ধৰ সন্ধিৰ সৰ্ত্তৰূপে ধৰ্মপালে দুৰ্লভনাৰায়ণৰ ৰাজ্যৰ পৰা যি সাত ঘৰ বামুণ আৰু সাতঘৰ কায়স্থ নিজ ৰাজ্যলৈ আনে, সেইসকলৰ নায়কৰূপে চণ্ডীবৰ আহি পোনতে লেঙ্গামাগুৰীয়া নামে ঠাইত বসতি কৰে। এওঁলোক ভূঞা আছিল আৰু এই ভূঞাসকলে বিশ্বসিংহৰ ৰাজত্বৰ আগলৈকে পূৰণি অসমত বিশেষ প্ৰতিপত্তি যে চলাইছিল, আগতে উদ্ধৃত কৰা ৰামচৰণ ঠাকুৰৰ অন্যান্য পদৰ পৰাই বুজিব পাৰি (২৫২৬-৩০)।—

"পূৰ্বে বাৰভূঞা চণ্ডীবৰ আদি কৰি। অনুক্ৰমে ভুঞ্জে কামৰূপ বসুন্ধৰী ॥
সৱাৰে মধ্যত ক্ষত্ৰি ভূঞা চণ্ডীবৰ। শ্ৰমে মহেশ্বৰ যেন পাইক ধনুৰ্দ্ধৰ ॥
ধৰ্মপাল ৰাজা আছিলেক কামেশ্বৰ। তাহান্তে খাটয় যত ভূঞা নিৰন্তৰ ॥
কামাখ্যা দেৱীয়ে যেৱে তাঙ্ক শাপ দিলা। আপুনাৰ ৰাজ্য এৰি বিদেশক গৈলা ॥
দেখিলেক লোক যেৱে ভৈলেক অৰাজ। গাঁৱে গাঁৱে ভৈল তেৱে সৱে ভূঞা-ৰাজ ॥
দুৰ্লভনাৰায়ণ তাৰ বেলেগীয়া ভাই। সিয়ো কতো দিনে ৰাজা ভৈল এক ঠাই ॥
বেহাৰৰ পৰা তিনি পহৰৰ বাট। গৱিয়া নগৰ ৰাজা দুৰ্লভৰ পাট ॥
যেৱে বিশ্বসিংহ কামৰূপে ভৈল ৰাজা। আপুনি বসিল আসি অসংখ্যাত প্ৰজা ॥
ঢকুৱাৰ বাৰু ভাঙ্গা খাণ্ডা সাজি তাৰ। বৰিলেক ভূঞা যুদ্ধ কৰি পৰিহাৰ ॥"

ভূষণ দ্বিজৰ গুৰু-চৰিততো ভূঞাসকলৰ প্ৰতিপত্তিৰ কথা আছে—

"চণ্ডীবৰ নাম তান্তে লণ্ডাদেৱ সুত। লগতে আসিছা বৰ পণ্ডিত অদ্ভুত ॥

ভৈলন্ত প্ৰসিদ্ধ ভূঞা বহু লোকপাল। লগতে উঠয় যাৰ আশীখান ঢাল ॥
ধনুৰ্দ্ধৰ পাইক সৱে খাটে বহুতৰ। গৌড়েশ্বৰ পাশক নযায় চণ্ডীবৰ ॥"

ৰামচৰণৰ মতেও দুৰ্লভ নাৰায়ণৰ আদেশমতে "পৰম স্নেহৰ মোৰ এন্তে চণ্ডীবৰ। আসিবে আমাৰ পাশে বৎসৰ অন্তৰ ॥৮৯।" আৰু এই আদেশ পালন নকৰাত দীপ নামৰ কটোৱালে ৰজাক নিৰ্দ্দেশ দিয়ে—"চণ্ডীবৰ নামে সিতো পৰম প্ৰচণ্ড। তাক আনি তুমি এৱে কৰিয়োক দণ্ড। ১১২।" দৰং-ৰাজবংশাৱলীৰ পৰাও ভূঞা-দমনৰ চেষ্টাৰ গম পাব পাৰি (৮৯-৯৭ আৰু ১১৮-২২ পদ), আৰু শঙ্কৰদেৱৰ পিতৃৰ সম্পৰ্কেও লিখিছে—"কুসুম ভূঞাক পাছে খেদিয়া গৈলেক। আপুনি বিষয় কুসুমেও এৰিলেক ॥ ৯২।" এই ভূঞাসকলৰে শিৰোমণিৰ ঘৰত শ্ৰীশঙ্কৰদেৱৰ জন্ম হয়; গতিকে ধৰ্মনীতি বা আধ্যাত্মিক সম্পৰ্কতকৈ বৈষয়িক সম্পৰ্কই এই পৰিয়ালৰ ঘাই কথা আছিল বুলি বুজিব পাৰি; তথাপি মানসিক সম্পৰ্কতো এওঁলোক আগবঢ়া আছিল নিশ্চয়।

"ভাদ্ৰ মাহত শুক্লা দ্বিতীয়া তিথি ভৈলা। সেহিদিনা গুৰু নৰ-নাটক এৰিলা ॥
বৰিষেক মন্দ আয়ু ভৈল ছয় কুৰি। তেৱে চলি গৈলা গুৰু নৰ-দেহ এৰি ॥"

ভূষণত মৃত্যু-শকো সঠিক নাই, ৰামানন্দৰ ছপা চৰিতত ৰামচৰণৰ সেই পদকে অলপ ইফাল-সিফালকৈ দিয়া আছে; কিন্তু দৈত্যাৰিয়ে সঠিক কৈছে—

"চৌধশ নব্বই, শকত নিশ্চয়, শঙ্কৰ বৈকুণ্ঠে গৈলা।
তাত পাছে আৰ আঠাইশ বছৰ, মাধৱ দেৱ আছিলা ॥
পঞ্চদশ শত, আঠাৰ শকত, বৈকুণ্ঠে গৈলা মাধৱ।"

উল্লিখিত পৰবৰ্ত্তী চৰিত-কাৰ অনিৰুদ্ধয়ো মৃত্যু-কাল সঠিকভাৱে দিছে—

"যেতিক্ষণে গুৰুদেৱ বৈকুণ্ঠক গৈলা। ভাদ্ৰ মাস শুকুলা দ্বিতীয়া তিথি ভৈলা ॥
বৎসৰৰ কথা কহোঁ শুনিয়োক তাক। বিন্দু ৰন্ধ্ৰ বেদ চন্দ্ৰ বুজিয়োক শক ॥"

সাৰ্বভৌম ভট্টাচাৰ্য্যয়ো তেওঁৰ শঙ্কৰ-চৰিতত লিখিছে "এক বাম ছয় বিংশ বৰিষ ভৈলন্ত। ২০৬।" গতিকে সকলো মতেই ১৪৯০ শকত তিৰোভাৱ, আৰু ১১৯ বছৰ আয়ুস ধৰিলে, ১৩৭১ শকৰ আহিনত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ সুনিশ্চিত। ইমান দিন জীয়াই থকা সম্ভৱপৰ নহয় বুলি গেইটে শঙ্কৰদেৱৰ জন্ম কাল পিছুৱাব খোজা আৰু তেওঁৰ পিছ ধৰি লাপি-লুপাকৈ "এক বৰিষ মন্দ আয়ু"ৰ ঠাইত "ডেৰ বৰিষ", কোনোৱে আকৌ "তেৰ বৰিষ" কৰি কোনোবা অনিৰুদ্ধৰ আধুনিক

পুথিৰ পৰা ইয়াকে ঠিৰ কৰিবলৈ চোৱা অন্যায় আৰু অমূলক। উল্লিখিত বৰদোৱা-চৰিতত আহোম ৰজা ছুহেন্ ফাৰ (১৪৩৯-৮৮ খৃঃ) ৰাজত্বত শঙ্কৰদেৱৰ জন্ম বুলিছে ; তদুপৰি ১৫৬২ শকত অসমীয়ালৈ ভঙা "মঞ্জুৰী" নামৰ কাইঠালী অঙ্কৰ পুথিত যে কলিৰ ৩১৯৭ বছৰত শকাব্দৰ আৰম্ভ আৰু সংস্কৃত রুদ্র-যামল গ্রন্থত কলিৰ ৪৫৫০ বছৰত শঙ্কৰদেৱৰ জন্ম বুলিছে, তাৰ পৰাও ১৪৭১ শক (১৪৪৯ খৃঃ) ওলাই পৰে।

ৰামচৰণে শঙ্কৰদেৱৰ জীৱনৰ ঘটনাৱলী পোনতে দিনে দিনে, তাৰ পাছত পাছত মাহে মাহে আৰু শেষ ছোৱাত বছৰে বছৰে বৰ্ণাইছে। তাৰ পৰা শঙ্কৰদেৱৰ জন্মৰ পোন্ধৰ দিনা মাক সত্যসন্ধা (৬২৪-২৮ পদ), সপ্তম মাহত ককাক সূৰ্য্যবৰ (৯৫১-৬৯ পদ), আৰু পঞ্চম বছৰত পিতাক কুসুমবৰৰ (১০৬৭, ১১৩৪ পদ) মৃত্যু হয় বুলি বুজিব পাৰি। কিন্তু দৈত্যাৰিৰ মতে কুসুমবৰৰ মৃত্যুত সত্যসন্ধা সতী গৈছিল (৩৬ পদ); ভূষণ (১১৪-১৯ পদ) আৰু ৰামানন্দয়ো (১১৭ পদ) তাকে কয়, আৰু শঙ্কৰদেৱ ওপজাৰ সাত বছৰৰ পাছত এইবোৰ হোৱা বোলে। বৰদোৱাৰ গুৰুচৰিতে ভূষণ আদিতকৈও এখোজ আগবাঢ়ি শঙ্কৰদেৱ-সূৰ্য্যৱতীৰ বিয়াৰ পাছতহে কুসুমবৰ-সত্যসন্ধাৰ মৃত্যু বুলি কয় ; কিন্তু লক্ষ্মীনাথ বেজবৰুৱাই শঙ্কৰদেৱৰ জন্মৰ তৃতীয় দিনা সত্যসন্ধাৰ মৃত্যু হয় বোলে।

ৰামচৰণৰ মতে, বুঢ়ীমাক খেৰসুতিৰ বকনি, অনুযোগ আৰু অনুৰোধত আৰু ককাক সূৰ্য্যবৰৰ তিনি ভাই জয়ন্ত, মাধৱ আৰু হলায়ুধৰ নিৰ্দ্দেশমতে শঙ্কৰদেৱ তেৰ বছৰ বয়সত পঢ়াশালিলৈ গৈছিল (১৩৩৬-৪৯ পদ), ৰামানন্দ (১১৮-১৩১ পদ) আৰু দৈত্যাৰিয়েও সেই মৰ্ম্মেই লিখে (৪০-৪৪); কিন্তু ভূষণ দ্বিজৰ মতে পিতাক কুসুমবৰে নিজে শঙ্কৰদেৱক পঢ়াশালিলৈ নিয়ে (২৯-৪৬ পদ)। এই সকলো মতৰ পৰা অন্ততঃ এইটো ঠাৱৰ হয় যে শঙ্কৰদেৱ বাৰ-তেৰ বছৰ বয়সৰ আগত পঢ়াশালিলৈ যোৱা নাছিল আৰু তাৰ আগত তেওঁ নানান লৰালি ধেমালিত অতিশয় অনুৰক্ত আছিল ; আৰু পিতাক বা বুঢ়ীমাক বা যাৰ অনুপ্ৰেৰণাতেই হওক, পঢ়াশালিলৈ গৈও শঙ্কৰদেৱে ধেমালিৰ পৰা সতকাই মন আঁতৰাই আনিব পৰা নাছিল। তাৰ প্ৰমাণ স্বৰূপে এৰাষ ঘৰৰ পৰা মনে মনে ৰূপ দুটকা আৰু কাপোৰ দুখন নি শিক্ষাগুৰুক ভাতি দি উমলিবলৈ যোৱা কথা ৰামচৰণে (১৩৮৬-৯২) বিতোপনকৈ বৰ্ণাইছে। কিন্তু পঢ়া-শুনাত

মন দিয়াৰ লগে লগেই শঙ্কৰদেৱে অচিৰে সকলো ছাত্ৰক চেৰ পেলাই শিক্ষক আৰু অভিভাৱক সদোৱে মনত বিস্ময় আৰু আনন্দ দিছিল যে, আটাইকেখন চৰিতৰ পৰাই প্ৰমাণিত হয়। ৰামানন্দৰ মতে স্বৰবৰ্ণৰ লগত নৌ চিনাকি হওঁতেই শঙ্কৰদেৱে এই কবিতাটি ৰচিছিল (১৪২-৪৫ পদ)—

"কৰতল কমল কমলদল নয়ন। ভৱদৱদহন গহন বন শয়ন ॥
নপৰ নপৰ পৰ শতৰত গময়। সময় নভয় ভয় মমহৰ সততয় ॥
খৰ তত বৰ শৰ হত দশবদন। খগচৰ নগধৰ ফণধৰ শয়ন ॥
জগদঘমপহৰ ভৱভয় তৰণ। পৰপদলয় কমলজ নয়ন ॥"

বৈষ্ণৱ বৰ্ণনা মতে, "লোণ নাই, তেল নাই, শুদা ব্যঞ্জনৰ ইমান সোৱাদ!" শঙ্কৰদেৱৰ সেই কালতে ব্যাকৰণ, কাব্যকোষ, পুৰাণ, ৰামায়ণ, মহাভাৰত আদিৰ তুলনামূলক অধ্যয়নৰ ৰীতি ভূষণে (৪৭-৫০ পদ) ধুনীয়াকৈ বৰ্ণাইছে। শঙ্কৰদেৱৰ শাৰীৰিক উৎকৰ্ষৰ প্ৰমাণ ৰূপে বৰ্ণোৱা লৌকিক-অলৌকিক অলেখ ঘটনাৰ ভিতৰত এবাৰ বছৰ বয়সত ভাদমহীয়া ব্ৰহ্মপুত্ৰ সাঁতুৰি দুবাৰ পাৰ হোৱা ঘটনা ৰামচৰণ (১২৯০-৯৮ পদ), দৈত্যাৰি (৬৬-৬৭ পদ), ভূষণ (৬১-৬৬ পদ) আদি আটায়ে বিৱৰিছে। তদুপৰি ভক্তিগ্ৰন্থ ভাগৱত পাই যোগ-অভ্যাস ত্যাগ নকৰালৈকে তাত শঙ্কৰদেৱে কিমানখিনি আগবাঢ়িছিল ভূষণে (৫৬-৬৮ পদ) তাৰো বিতোপন বিৱৰণ দিছে।

শঙ্কৰদেৱে কাৰ পঢ়াশালিত শিক্ষালাভ কৰিছিল ভূষণ বা দৈত্যাৰিয়ে স্পষ্ট কোৱা নাই, কিন্তু ৰামানন্দই (১৩২ পদ) কলাপকেশৰীৰ পঢ়াশালিলৈ ককাক সূৰ্য্যৱৰে প্ৰথম দিনা লৈ যোৱা বুলিছে। ৰামচৰণে সেই প্ৰসঙ্গত একো নকলেও মহেন্দ্ৰ কন্দলীৰ সম্পৰ্কত এইদৰে লিখিছে (১৫৪৬-৪৮)—

"এহিমতে চিহ্নযাত্ৰা যেৱে সাঙ্গ ভৈল। শঙ্কৰেয়ো মহেন্দ্ৰ কন্দলী পাশে গৈল ॥
নমস্কাৰ কৰিবাক গুৰুক চাহন্ত। দেখিয়া কন্দলী আথেবেথে উঠিলন্ত ॥
তোমাকেসে নমস্কাৰ কৰিবে লাগয়। তুমি যে ঈশ্বৰ স্বামী জানিলোঁ নিশ্চয় ॥"

ৰামৰাম গুৰু শঙ্কৰদেৱৰ কুল-পুৰোহিত আৰু মহেন্দ্ৰ কন্দলী শিক্ষাগুৰু। কলাপকেশৰী বা মহেন্দ্ৰ কন্দলী, যিজনৰ কাষতেই হওক, ষোল বছৰ বয়সত পঢ়া সাং কৰি সপ্তদশ বছৰত গুৰু-গৃহৰ পৰা উলটি আহি ককাক সূৰ্য্যৱৰৰ ভায়েক জয়ন্তৰ পৰা শিৰোমণি ভূঞাৰ বাৰ নিজে লয়।

"জয়ন্তে কৰয় চৰ্চা যত ৰাজকাম। সপ্তদশ বৎসৰে শঙ্কৰ গৈলা গ্ৰাম ॥ ১৪০৫।

সমস্ত ভূঞাৱে আসি তাহাত থাটন্ত। পিতৃৰ সমান ভূঞা প্ৰসিদ্ধ ভৈলন্ত ॥১৪০৬।"
এই বিষয়-বাব সূৰ্য্যবৰ পৰা কুসুমবৰে পোৱাৰ বিষয়ে ভূষণে লিখিছে (১৩-১৪ পদ)—

"তাহান তনয় পাছে কুসুম ভৈলন্ত। পৰম পণ্ডিত মহাগুণে গুণৱন্ত ॥
ধন-ধান্য সবাতে অধিক ভৈল চাব। শিৰোমণি ভূঞা ভৈল সমস্ত ভূঞাৰ ॥"

শঙ্কৰদেৱৰ কেচুৱা কালতে যে কুসুমবৰৰ মৃত্যু হল, আৰু সেইবাবেই সূৰ্য্যবৰে পোনে পোনে নিজ ভায়েকক শঙ্কৰদেৱৰ অভিভাৱকৰূপে এই বিষয় চলাবলৈ দিছিল, ভূষণৰ পৰা তাক পৰিপাটিকৈ বুজিব পাৰি—

"পাছে সূৰ্য্যবৰে	জয়ন্ত ভ্ৰাতৃক	গৃহক মাতি আনিলা।
সমস্ত লোকক	শুনায়া সভাত	বুলিবে বাক্য লাগিলা ॥
আমি বৃদ্ধ ভৈলোঁ	হুহিকোঁ সমৰ্থ	পুত্ৰ গৈল পৰলোক।
সমস্ত লোকক	প্ৰতিপাল কৰি	বিষয়ক চৰ্চ্চিয়োক ॥ ১১৯ ॥
শুনিয়া জয়ন্তে	বোলে দাদা তুমি	তেজিয়োক চিন্তা মন।
অনেক কালৰ	ৰাজ্য আমাসাৰ	কৰিবোঁ মই পালন ॥ ১২০ ॥"

ৰামচৰণে শঙ্কৰদেৱৰ পূৰ্বপুৰুষৰো অতি বিস্তৃত বিবৃতি দিছে। তাৰ পৰা স্পষ্ট বুজিব পাৰি যে এই বংশত শঙ্কৰদেৱৰ আগলৈকে তিনি কুৰি বা তেনে ভাটি বয়সতহে সন্তান জন্ম হৈছিল। চণ্ডীদেৱে চণ্ডীক উপাসি ভাটি বয়সত চণ্ডীবৰক লাভ কৰে (৫১-৫৪ পদ)। তাৰ পাছত গৌড়ৰ গগৰীয়াপুৰত ব্ৰহ্মপুত্ৰৰ বানপানীয়ে বহুবি উপদ্ৰৱ কৰাত বিশেষ কৌশলেৰে তাৰ জান বান্ধি দিয়াত ৰাইজৰ ৰবত চণ্ডীবৰৰ ভাটি বয়সত ৰাজ্যৰৰ বা ৰাজ্যধৰৰ জন্ম হয় (৬৪-৭৭ পদ)। এই ৰাজ্যধৰৰ সাত বছৰ বয়সত গৌড়েশ্বৰ-কামেশ্বৰৰ দ্বন্দ্ব বা যুদ্ধ হয়, আৰু তাৰ সন্ধিৰ সৰ্ত অনুসাৰেই কমতা ৰাজ্যলৈ গৌড়ৰ সাত ঘৰ বামুণ আৰু সাত ঘৰ কায়স্থৰ মুখিয়াল হৈ চণ্ডীবৰ আহে। প্ৰথম বাৰ আহি চণ্ডীবৰে কমতাৰ লেঙ্গামাগুৰীয়াত থকা ঠাই ঠিক কৰি পুনৰ গৌড়ৰ কনৌজপুৰৰ নিজ ঘৰলৈ আহে; তাতে চণ্ডীদেৱক শেষ অৱস্থাত শুশ্ৰূষা কৰি, তেওঁ ঢুকোৱাত তেওঁৰ কাজ-কাম কৰি, একেবাৰে লেঙ্গামাগুৰীয়ালৈ উঠি আহে (৭৮-১০৯ পদ)। দুৰ্লভ নাৰায়ণৰ আদেশ মতে বহুবি এবাৰকৈ চণ্ডীবৰ গৌড়লৈ গৈ দেখা নকৰাৰ বাবে কমতাৰ লেঙ্গামাগুৰীয়াৰ পৰা বজাই চণ্ডীবৰক ছলেৰে ধৰাই নি বন্দী কৰি ৰাখে। এইদৰে বন্দীশালত দহ মাহ আছে, এনেতে নদীয়াৰ পৰ চন্দ্ৰ

কবি নামে এজন পণ্ডিত আছি গৌড়ৰ সকলো পণ্ডিতক পৰাস্ত কৰে। তেওঁৰে আগ্ৰহ অনুসাৰে বন্দীশালৰ পৰা মোকলাই আনি চণ্ডীবৰক তৰ্ক কৰিবলৈ দিয়াত চন্দ্ৰ কবি সম্পূৰ্ণ পৰাজিত হৈ দেশলৈ উলটি যায়, আৰু দুৰ্লভনাৰায়ণে তাৰ বাবে কৃতজ্ঞতাৰ চিন ৰূপে অনেক মান-সন্মান ধন-সোণ যচাতো চণ্ডীবৰে সেইবোৰ একোকে গ্ৰহণ নকৰি কমতালৈ উলটি আহে (১৯০-১৯১ পদ)। তাৰ পাছত লেঙ্গামাগুৰীয়ালৈকে গোটেই কমতাত ভোটৰ মাৰণ বা আক্ৰমণ হোৱাত তাতো প্ৰচণ্ড বিক্ৰমেৰে চণ্ডীবৰে ভোটবোৰ কাটি-মাৰি খান্তাং কৰি খেদি দি কামেশ্বৰৰ পৰা বহুত প্ৰশংসা আৰু ধন-সোণ লাভ কৰে (১৮২-২১০ পদ)। আকৌ ভাটি বয়সলৈকে ৰাজধৰৰ পুত্ৰ নোহোৱা বাবে তেৰোঁ পিতৃৰ আদেশক্ৰমে সূৰ্য্যৰ আৰাধনা কৰি সূৰ্য্যৰ বৰত পুত্ৰ সূৰ্য্যবৰক লাভ কৰে (২১১-১৬ পদ)। ভোটৰ শত্ৰুতা বঢ়াত ৰজাৰ পৰামৰ্শক্ৰমে চণ্ডীবৰ প্ৰমুখ্যে ভুঞাসকল বৰদোৱাৰ টেম্বুৱানি জানলৈ উঠি আহে; তাতে চণ্ডীবৰৰ মৃত্যু হয়, তেতিয়া ৰাজধৰৰ বয়স তিনি বছৰ দুমাহ (২১৭-২৭ পদ)। বৰদোৱাৰ এই টেম্বুৱানি জানতো ব্ৰহ্মপুত্ৰৰ বাঢ়ন পানীয়ে শস্য বছৰি নষ্ট কৰিবলৈ ধৰাত ৰাজ্যধৰৰ বাৰষ্ঠী বছৰ বয়সত "আলিপুখুৰী যে নামে গ্ৰাম এক আছে। সয়ে লোকে তহিকে গৈলন্ত উঠি পাছে ॥ ২২৯।" এই আলিপুখুৰীতে ৰাজধৰৰ তিনি পুত্ৰ জয়ন্ত, মাধৱ আৰু হলায়ুধৰ জন্ম হয়; ইয়াৰ আগতে তেওঁলোক ২৫ বছৰ টেম্বুৱানিত থাকে আৰু তাত তিনি জীউ আৰু দুই পুত্ৰৰ মৃত্যু হয় (২৩২-৪৪ পদ)। সূৰ্য্যবৰে আলিপুখুৰীতে খেৰসুতিক বিয়া কৰায়, কিন্তু আকৌ ভাটি বয়সলৈকে চাৰিও ককাই-ভাইৰ পুত্ৰ নজন্মাত সূৰ্য্যবৰে অমোঘ মন্ত্ৰ জপাত তেওঁৰ ঘৰত পাৰিজাত কুসুম পৰে আৰু তাৰ ফলত মাঘ মাসত গৰ্ভস্থিত হৈ আহিনৰ এদিন থকাত শুক্লা দশমীত কুসুমবৰৰ জন্ম হয় (২৪৮-৬৬ পদ)। আলিপুখুৰীতে ৰাজধৰৰ মৃত্যুৰ পাছত সত্যসন্ধাৰ লগত কুসুমবৰৰ বিবাহ হয়; আৰু এই সত্যসন্ধাৰ গৰ্ভত পিতাক কুসুমবৰৰ দৰেই মাঘ মাসত স্থিত হৈ আহিনত শ্ৰীশঙ্কৰদেৱৰ জন্ম হয় (২৬৬-৩৬০ পদ)।

শ্ৰীশঙ্কৰদেৱৰ জন্মকাল সম্পৰ্কে বিভিন্ন মত। ৰামচৰণে লিখিছে (৩৬০-৬৭)—
"আশ্বিন প্ৰবেশি পঞ্চ দিন বহি গৈল। সেহি দিনা শঙ্কৰদেৱৰ জন্ম ভৈল ॥
শুকুলা দশমী আসি ভৈলা শুক্ৰবাৰে। ধৰ্ম কহি পাপ নষ্ট কৈলা জগতৰে ॥
চাৰি দণ্ড ৰাতি যেৱে গৈল সিদিনাৰ। তেৱেসে জানিবা ভৈল জন্ম শঙ্কৰৰ ॥"

আন তিনিখন শঙ্কৰ-চৰিতৰ ভিতৰত দৈত্যাৰি ঠাকুৰ আৰু ভূষণ দ্বিজই এই বিষয়ে সঠিক একো কোৱা নাই ; কিন্তু ৰামানন্দ দ্বিজই জন্ম-শক নিদিয়াকৈ মাত্র জন্ম-মাহ দিছে—

"ফাল্গুন মাসত, শুক্লা দ্বিতীয়াত, অর্ধ ৰাত্রি যেৱে গৈল।
মহা শুভযোগে, উত্তম লগ্নত শঙ্কৰৰ জন্ম ভৈল॥ ১০৬।"

এই মূল চাৰিখন চৰিতৰ বাহিৰে বৰদোৱা সত্ৰৰ এখন পৰৱৰ্তী কথা-চৰিতত শঙ্কৰদেৱৰ জন্ম ১৩৭১ শকৰ (১৪৪৯ খৃঃ) কাতি মাহৰ বৃহস্পতিবাৰে অমাৱস্যা তিথিত মাজৰাতি বুলিছে। অনিৰুদ্ধ নামে আন এজন পৰৱৰ্তী চৰিতলেখকে ১৩৮৫ শকত শঙ্কৰদেৱৰ জন্ম বুলিছে, ই নিশ্চয় ভুল ; এই পুথি "সিন্ধু সৈন্ধৱ চক্ৰেন্দু" অর্থাৎ ১৬৭৭ শকত (১৭৫৫ খৃঃ) লিখিত। শঙ্কৰদেৱৰ মৃত্যু-কালৰ বিষয়ে বিশেষ মতভেদ নাই বুলিব পাৰি ; গতিকে জীৱন-কাল ঠিকভাৱে জানিলে এই দুই কালৰ পৰা জন্মকাল সহজে নির্ণয় কৰিব পাৰি। (ৰামচৰণ ৩৮৩৪-৩৫ পদ)।

অসমীয়া সাহিত্য আৰু সমাজৰ বাবে শ্ৰীশঙ্কৰদেৱৰ প্ৰথম লেখৰ ঘটনাৰ আৰম্ভ হয় উনৈশ বছৰ বয়সত (১৪৬৮ খৃঃ)। পেহাক বুঢ়াখাই, জয়ন্ত, মাধৱ, কৰ্ণপুৰ, চতুৰ্ভুজ আৰু আন ভূঞা সুহৃদ-সজ্জনৰ লগ লৈ গৈ, ৰামচৰণৰ মতে, বৈকুণ্ঠৰ দৃশ্য-পট দেখুৱাবলৈ শঙ্কৰদেৱক কোৱাত তেওঁ মান্তি হল (ৰা, চ, ১৪৫৩-৬৪)। এই চিহ্নযাত্ৰাৰ অভিনয় এনে অপূর্বৰূপে সম্পন্ন হৈছিল যে শঙ্কৰদেৱৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলী আৰু কুল-পুৰোহিত ৰামৰাম গুৰু আদি অনেক বামুণে ততালিকে শঙ্কৰদেৱত শৰণ লবৰ বাবে সাজু হল (ৰা-চ ১৫৪৮-৮৪ পদ)।

তেন্তে শঙ্কৰদেৱৰ প্ৰথম নাট **চিহ্নযাত্ৰা** আৰু প্ৰথম কাব্য **উদ্ধৱ সম্বাদ**, আৰু প্ৰথম অসমীয়া নাটঘৰৰ বুৰঞ্জীও একেলগে ১৪৮৬ ত আৰম্ভ হয়। তুলনা কৰিলে আমি দেখিবলৈ পাওঁ এলিজাবেথ যুগৰ ইংলণ্ডত অভিনয় পাতিবলৈ জয়ে জয়ে ১৫৭৪ত এটি ৰাজসম্মতি ঘোষণা কৰা হয়, আৰু এইমতে ১৫৭৬ত সম্ভৱ ইংলণ্ডৰ উত্তৰত প্ৰথমে সজা নাটশালত শ্বেক্সপীয়েৰ কামত সোমায়। এই সময়ৰ বহুত পাছলৈকে ইংলণ্ডৰ নাটশালত দৃশ্যপটৰ ব্যৱহাৰ নাছিল বুলিব পাৰি ; বিশেষ সঙ্কেত আৰু ভাৱৰীয়াসকলৰ বচনৰ পৰাহে পট-পৰিবর্ত্তনৰ আভাস পাব লগা হৈছিল। তেতিয়া ইংলণ্ডৰ নাট্যকবি মাত্ৰই 'ভাৱৰীয়া' আছিল আৰু শ্ৰোতৃমণ্ডলীৰ অভিৰুচি অনুসৰি নাট লিখিছিল। ১৫৮৭ৰ